**GOVERNMENT OF ASSAM**
**TRANSPORT DEPARTMENT**
**BLOCK-D, 4TH FLOOR, JANATA BHAWAN**
**DISPUR:::GUWAHATI-06**
Website: https://transport.assam.gov.in Email ID: transport-department@assam.gov.in

No.TMV/E-816765/15 Date:22-07-2026

From : The Joint Secretary to the Govt. of Assam,
Transport Department, Dispur-06.

To : The Secretary
Assam Legislative Assembly, Dispur

Sub : Submission of reply to the Unstarred Assembly Question No 504 to be asked by Hon'ble MLA Smti. Baby Begum- regd.

Sir

With reference to the subject cited above, I am directed to enclose herewith 150 nos. of cyclostyled numbers of Reply to the Unstarred Assembly Question No 504 to be asked by Hon'ble MLA, Smti. Baby Begum

The aforesaid Reply has been uploaded in the website http://cms.neva.gov.in

Enclo. : As stated above.

Yours faithfully,

Digitally signed by
RUPASREE BHATTACHARJEE
Date: 22-07-2026 15:52:42

Joint Secretary to the Govt. of Assam
Transport Department

Memo No.TMV/E-816765/15-A Date:22-07-2026
Copy for information to:

1. P.S. to the Hon'ble Minister, Transport Department, Assam for kind information.
2. P.S. to the Commissioner & Secretary to Govt. of Assam, Transport Department for kind information.

By order etc.,

**(e-signed)**
Joint Secretary to the Govt. of Assam
Transport Department

**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৫০৪**

**উত্তৰ দিয়াৰ তাৰিখ : – ২৪ -০৭-২০২৬**

*বিষয় ঃ* **পৰিবহন নিগমৰ সম্পত্তিৰ পৰিমাণ** বিধায়ক ঃ শ্ৰীমতী বেবী বেগম ঃ

**প্ৰশ্ন**

মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ ২০১৬ চনৰ ১ জানুৱাৰীত ৰাজ্যখনৰ কোন কোন স্থানত ভূমিসহ কি কি সম্পত্তি আছিল ? বৰ্তমান ভূমিসহ কি কি সম্পত্তি আছে ? (উত্তৰৰ সৈতে বিস্তৃত তালিকা সংলগ্ন কৰিব)।

(খ) ২০১৬ চনত অসম ৰাজ্যিক পৰিবহণ নিগমৰ কিমানখন নিজাববীয়া বাছ আছিল ? ইয়াৰে কিমানখন দৈনিক চলাচল কৰিছিল ? বৰ্তমান এই সংখ্যা কিমান ? (উত্তৰৰ সৈতে বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(গ) ২০১৬ চনত অসম ৰাজ্যিক পৰিবহন নিগমৰ কিমানখন নিজাববীয়া বাছ ধুবুৰীৰ পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দৈনিক চলাচল কৰিছিল ? বৰ্তমান দৈনিক চলাচল কৰা এনে বাছৰ সংখ্যা কিমান ? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(ঘ) অসম ৰাজ্যিক পৰিবহন নিগমক সচল-সবল আৰু সক্ৰীয় কৰি ৰাজহুৱা পৰিবহন ব্যৱস্থাটো শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা আছেনে ? যদি নাই, কিয় নাই ? যদি আছে, এইক্ষেত্ৰত চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

**উত্তৰ**

মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত চৰন বড়োদেৱে উত্তৰ দিব :

(ক) অসম ৰাজ্যিক পৰিবহণ নিগমৰ ২০১৬ চনৰ ১ জানুৱাৰীত ৰাজ্যখনৰ বিভিন্ন স্থানত থকা ভূমিসহ সম্পত্তি আৰু বৰ্তমান ভূমিসহ সম্পত্তিৰ তালিকা “পৰিশিষ্ট- ১” ত সংলগ্ন কৰা হ’ল ।

(খ) ২০১৬ চনত অসম ৰাজ্যিক পৰিবহণ নিগমৰ নিজা বাছৰ মুঠ সংখ্যা আছিল ১,০৯০ খন। ইয়াৰে ৬৬৮ খন বাছ নিয়মীয়াকৈ পৰিচালিত হৈ আছিল।

বৰ্তমান অসম ৰাজ্যিক পৰিবহণ নিগমৰ নিজা বাছৰ মুঠ সংখ্যা ৭৬০ খন। ইয়াৰে ৬৫১ খন বাছ নিয়মীয়াকৈ পৰিচালিত হৈ জনসাধাৰণক পৰিবহণ সেৱা আগবঢ়াই আছে।

(গ) ২০১৬ চনত ধুবুৰীৰ পৰা অসমৰ বিভিন্ন প্ৰান্তলৈ মুঠ ২৩ খন বাছ দৈনিক চলাচল কৰিছিল। ইয়াৰে ৫ খন অসম ৰাজ্যিক পৰিবহণ নিগম (ASTC)-ৰ নিজা বাছ আৰু ১৮ খন অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনস্থ Private Operated Buses (POB) আছিল।

বৰ্তমান ধুবুৰীৰ পৰা অসমৰ বিভিন্ন প্ৰান্তলৈ মুঠ ৩৫ খন বাছ দৈনিক চলাচল কৰি আছে। ইয়াৰে ২ খন ASTC-ৰ নিজা বাছ আৰু ৩৩ খন অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনস্থ POB বাছ।

(ঘ) হয়। অসম ৰাজ্যিক পৰিবহণ নিগমক অধিক শক্তিশালী, সচল আৰু সক্ৰিয় কৰি ৰাজ্যৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থাক সুদৃঢ় কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। অসম ৰাজ্যিক পৰিবহণ নিগম মূলতঃ এটা জনসেৱামুখী

(Service-oriented) ৰাজহুৱা প্ৰতিষ্ঠান। সেয়েহে ৰাজ্যৰ জনসাধাৰণক নিৰাপদ, নিৰ্ভৰযোগ্য, সময়ানুবৰ্তী, সুলভ আৰু মানসম্পন্ন গণ-পৰিবহণ সেৱা প্ৰদান কৰাটো ইয়াৰ প্ৰধান উদ্দেশ্য।

বিশেষকৈ ৰাজ্যৰ গ্ৰামাঞ্চল, দুৰ্গম আৰু দূৰৱৰ্তী অঞ্চলসমূহত Last Mile Connectivity নিশ্চিত কৰা, ছাত্ৰ-ছাত্ৰী, মহিলা, জ্যেষ্ঠ নাগৰিক, বিশেষ ভাৱে সক্ষম লোক, কৰ্মজীৱী লোক তথা অন্যান্য যাত্ৰীৰ বাবে নিৰাপদ আৰু সময়মতে যাতায়াতৰ সুবিধা নিশ্চিত কৰা, আৰু ব্যক্তিগত বাহনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি এক সুসংগঠিত, অন্তৰ্ভুক্তিমূলক আৰু বহনক্ষম ৰাজহুৱা পৰিবহণ ব্যৱস্থা গঢ়ি তোলাত অসম ৰাজ্যিক পৰিবহণ নিগমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

এই উদ্দেশ্য বাস্তৱায়নৰ বাবে চৰকাৰে ধাৰাবাহিকভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত পৰিৱেশ-অনুকূল চি.এন.জি, বৈদ্যুতিক (EV) বাছ অন্তৰ্ভুক্তি, নতুন পথত বাছ সেৱা সম্প্ৰসাৰণ, চাৰ্জিং আন্তঃগাঁথনি স্থাপন, যাত্ৰীসেৱাৰ মান উন্নয়ন, যাত্ৰীৰ সুবিধাৰ্থে নতুন আন্তঃৰাজ্যিক বাছ আস্থান স্থাপন, ডিজিটেল প্ৰযুক্তিনিৰ্ভৰ সেৱাৰ প্ৰৱৰ্তন, বাছসমূহৰ ৰক্ষণাবেক্ষণ ব্যৱস্থা শক্তিশালীকৰণ, প্ৰয়োজন অনুসৰি নতুন বাছ সংযোজন, আৰু যাত্ৰীসেৱাৰ দক্ষতা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ আদি উল্লেখযোগ্য।

চৰকাৰে অসম ৰাজ্যিক পৰিবহণ নিগমক এক আধুনিক, পৰিৱেশ-অনুকূল, দক্ষ, যাত্ৰীমুখী আৰু বহনক্ষম ৰাজহুৱা পৰিবহণ সংস্থা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ধাৰাবাহিকভাৱে নীতি আৰু উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে, যাতে ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণে উন্নত আৰু নিৰ্ভৰযোগ্য গণ-পৰিবহণ সেৱাৰ সুবিধা লাভ কৰিব পাৰে।

***************

(উক্ত প্ৰশ্নোত্তৰ অসম বিধান সভাৰ website https://cms.neva.gov.in/ ত উপলব্ধ কৰা হৈছে)